
পাঠ - ২

# কালিকা লগা পাট-কাপোৰ

G4A4E4

সাধুকথা শিক্ষা আহৰণৰ অতি ফলপ্ৰসূ উপাদান। সাধুকথাৰ মাধ্যমেৰে নীতিশিক্ষা, মূল্যবোধ, প্ৰচলিত সামাজিক ৰীতি-নীতি আদিৰ আভাস পাব পাৰি। ই শিশুৰ কাল্পনিক শক্তি আৰু সৃজনীমূলক প্ৰতিভাৰ উৎকৰ্ষ সাধন কৰে। তদুপৰি, সাধুকথাত জাতি-জনজাতিৰ চলি থকা পৰম্পৰাৰ প্ৰতিফলন ঘটে। এই পাঠটোত গাৰো জনজাতিৰ মাজত প্ৰচলিত পৰম্পৰা সমৃদ্ধ লোক-কথা প্ৰতিফলিত হৈছে।

বহু যুগৰ আগৰ কথা। আচিক দেশত এজন বৰ চহকী মানুহ আছিল। পৰ্বতীয়া জাতিসমূহৰ মাজত কেতবোৰ মাতৃপ্ৰধান জাতি আছে। আচিক দেশৰ লোকসকলো মাতৃপ্ৰধান জাতি। মাতৃপ্ৰধান সমাজত ছোৱালী পিতৃ-মাতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰী হয়। সেই নিয়ম অনুসৰি আচিক দেশৰ চহকী মানুহগৰাকীৰ ছোৱালীজনীও মাক-বাপেকৰ সম্পত্তিৰ উত্তৰাধিকাৰী হ'ল। সময়ত এজন দেখনিয়াৰ ডেকাৰ লগত তাইৰ বিয়া পতা হ'ল।



বাপেকে ছোৱালীজনীক আন আন সম্পত্তিৰ লগতে এখন কালিকা লগা বনকৰা পাট-কাপোৰ দিছিল। জীয়েক-জোঁৱায়েকে কাপোৰখন সযত্নে ৰাখিছিল। 'এটা মন্ত্ৰ উচ্চাৰণ নকৰাকৈ কাপোৰখনত কোনোবাই হাত দিলে চকুৰ পচাৰতে সি চৰাইলৈ ৰূপান্তৰিত হ'ব আৰু কাপোৰখন চৰাইৰ পাখি আৰু নেজ হৈ পৰিব'— এই কথা বাপেকে ছোৱালীজনীক মনে মনে কৈছিল আৰু মন্ত্ৰটোও শিকাই দিছিল। কিন্তু ছোৱালীজনীৰ গিৰিয়েকে এই বিষয়ে একোৱেই গম পোৱা নাছিল। কাপোৰখনৰনো কি গুণ, তাকো তেওঁ নাজানিছিল।

কেইবছৰমানৰ পাছত চহকী মানুহজন আৰু তেওঁৰ ঘৈণীয়েক ঢুকাল। জীয়েক আৰু জোঁৱায়েক ঘৰৰ গৰাকী হ'ল। এদিন ছোৱালীজনীয়ে কাপোৰখন পেৰাৰ পৰা উলিয়াই ৰ'দত মেলি দিলে। তাৰ পাছত তাই মাছ মাৰিবলৈ যাব লগা হোৱাত গিৰিয়েকক কৈ গ'ল— ধাৰাসাৰে বৰষুণ দিয়ক, শিল-বৰষুণ হওক, তথাপি কাপোৰখন তেওঁ যেন নোচোৱে। এই বুলি কৈ তাই ওচৰৰ জান এটাত চেপা (খোকা) পাতি মাছ ধৰিবলৈ গ'ল।

কিছু সময়ৰ পাছত ক'লা ডাৱৰে আকাশখন ছাটি পেলালে। ধাৰাসাৰে বৰষুণ আহিল। কাপোৰখন বৰষুণত তিতা দেখি গিৰিয়েকে ঘৈণীয়েকক চিঞৰি মাতিলে। তাই লৰালৰিকৈ আহিবলৈ ধৰিলে। কিন্তু তাই আহি পোৱাৰ আগতে শিল-বৰষুণ আহিল। গিৰিয়েকে তাইৰ কথা পাহৰিলে আৰু কাপোৰখন সামৰি আনিবলৈ গৈ তাত হাত দিলে। ততালিকে তেওঁ এটা ডাঙৰ আৰু নানা বৰণীয়া জক্‌মকীয়া পাখিৰে সুশোভিত ময়ূৰ চৰাই (চিতৰী) হৈ পৰিল।



এই কাণ্ড দেখি ঘৈণীয়েকে মন্ত্ৰযাৰ উচ্চাৰণ কৰিবলৈ পাহৰি 'কি কৰিলা ঔ' বুলি চিএওৰ মাৰি কাপোৰখনত হাত দিলে। লগে লগে তায়ো এজনী চৰাইৰ ৰূপ পালে।

তেতিয়াৰে পৰা গিৰিয়েকজন হৈ পৰিল মতা ম'ৰা চৰাই; আৰু ঘৈনীয়েকজনী হৈ পৰিল মাইকী ম'ৰা চৰাই। মতাটোৰ পাখি বেছি জক্‌মকীয়া। কাৰণ, সেই কাপোৰখনৰ সৰহভাগ তাৰ নেজ আৰু পাখিত লাগি ৰ'ল। তেতিয়াৰে পৰা মেঘে গাজিলে বা বৰষুণ আহিবলৈ ধৰিলে ম'ৰা চৰায়ে চিঞৰিবলৈ ধৰে। সিহঁতৰ ভয় লাগে, জানোচা সিহঁতৰ ধুনীয়া পাখি বৰষুণত তিতি নষ্ট হয়।

*উৎসঃ পৰ্বতীয়া সাধু (গাৰো সাধু), সংকলক-সত্যেন্দ্ৰনাথ বৰকটকী, প্ৰকাশক-অসম প্ৰকাশন পৰিষদ, পঞ্চম সংস্কৰণ, ২০০৩, পৃষ্ঠা, ২০৭-২০৮।*

জানো আহা

| শব্দ | | অৰ্থ |
|---|---|---|
| চহকী | — | ধনী |
| দেখনিয়াৰ | — | সুঠাম আৰু দেখিবলৈ ধুনীয়া |
| বনকৰা | — | বেজিৰে গুণাৰ ফুল তুলি শোভিত কৰা |
| ৰূপান্তৰিত | — | গঢ় বা আকাৰ সলনি হোৱা |
| পেৰা | — | ধন-বস্তু সুমুৱাই থোৱা সচাঁৰ লগোৱা বা নলগোৱা কাঠৰ বাকচ |
| জক্‌মকীয়া | — | নানা ৰঙৰ জিলিকনি থকা, চকমক কৰা |
| প্ৰচলিত | — | চলি থকা |
| সুশোভিত | — | সুসজ্জিত, অতি শোভাযুক্ত |
| সৰহ | — | অধিক, বহুত, অনেক |

ক্ৰিয়া-কলাপ

## ক—পাঠভিত্তিক ক্ৰিয়া

১। **পাঠটো শুদ্ধ উচ্চাৰণ আৰু যতি, বিৰাম চিহ্নসমূহৰ প্ৰতি লক্ষ্য ৰাখি কেইবাবাৰো পঢ়া আৰু সাধুটো নিজৰ কথাৰে কোৱা।**

২। **উত্তৰ দিয়া।**

(ক) চহকী মানুহজন কোন দেশৰ আছিল?
(খ) চহকী মানুহজনৰ ছোৱালীজনীৰ কাৰ লগত বিয়া হৈছিল?
(গ) ছোৱালীজনীক আন আন সম্পত্তিৰ লগতে আৰু কি দিয়া হৈছিল?
(ঘ) কালিকালগা কাপোৰখন দিওঁতে দেউতাকে কি কৈছিল?
(ঙ) আচিক সম্প্ৰদায়ত সম্পত্তিৰ উত্তৰাধিকাৰী কোন?
(চ) ছোৱালীজনীয়ে কাপোৰখন ৰ'দত মেলি দি ক'লৈ গৈছিল?
(ছ) কাপোৰখন চুই দিয়াৰ লগে লগে গিৰিয়েকজন কিহলৈ ৰূপান্তৰিত হ'ল?

☞ *বাতৰি কাকতৰ শিশু-চ'ৰা, শিশু -আলোচনী আদিৰ পৰা সাধু, কাহিনী আদি শ্ৰেণীকোঠাত পঢ়াৰ সুযোগ দিব।*
☞ *আন আন ভাষাৰ অনুবাদ কৰা সাধু শুনোৱাব।*

৩। **চমু উত্তৰ লিখা।**

(ক) বাপেকে ছোৱালীজনীক দিয়া বনকৰা পাট-কাপোৰখনৰ বিশেষত্ব কি আছিল?

(খ) গিৰিয়েকজন কিদৰে সুশোভিত চিতৰী চৰাই লৈ ৰূপান্তৰিত হৈছিল?

(গ) গিৰিয়েকজনে কাপোৰখন চুই দিয়া দেখি ঘৈণীয়েকে কি কৰিলে আৰু শেষত তাইৰ কি হ'ল?

৪। **তলৰ শব্দবোৰৰ অৰ্থ বাকচৰ পৰা বাছি উলিয়াই লিখা।**

সুসজ্জিত, ধনী, সুঠাম আৰু দেখিবলৈ ধুনীয়া, বহুত, চলি থকা।

| | | |
|---|---|---|
| প্ৰচলিত | — | চলি থকা |
| দেখনিয়াৰ | — | দেখিবলৈ ধুনীয়া |
| চহকী | — | ধনী |
| সুশোভিত | — | সুসজ্জিত |
| সৰহ | — | বহুত |

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৫। **তলৰ দফাটো পঢ়ি উপযুক্ত স্থানত যতি, বিৰাম চিহ্ন বহুওৱা।**

এই কাণ্ড দেখি ঘৈণীয়েকে মন্ত্ৰযাৰ উচ্চাৰণ কৰিবলৈ পাহৰি কি কৰিলা ঔ বুলি চিএৰৰ মাৰি কাপোৰখনত হাত দিলে লগে লগে তায়ো এজনী চৰাইৰ ৰূপ পালে তেতিয়াৰে পৰা গিৰিয়েকজন হৈ পৰিল মতা মৰা চৰাই আৰু ঘৈণীয়েকজনী হৈ পৰিল মাইকী মৰা চৰাই মতাটোৰ পাখি বেছি জকমকীয়া কাৰণ সেই কাপোৰখনৰ সৰহভাগ তাৰ নেজ আৰু পাখিত লাগি ৰ'ল

জানো আহা—

⇨ জীয়েক-জোঁৱায়েকে কাপোৰখন সযত্নে **ৰাখিলে** ।

⇨ এটা মন্ত্ৰ নপঢ়াকৈ কাপোৰখনত কোনোবাই হাত **দিলে** চকুৰ পচাৰতে সি চৰাইলৈ ৰূপান্তৰিত হ'ব।

⇨ জীয়েক আৰু জোঁৱায়েক ঘৰৰ গৰাকী **হ'ল**।

ওপৰৰ বাক্য কেইটাত ডাঙৰ হৰফৰ পদকেইটাই কিবা কাম (কাৰ্য) হোৱা বা কৰা বুজাইছে।

এনেদৰে—

**যি পদে কোনো কাম (কাৰ্য) সম্পাদন কৰা বা নকৰা বুজায় তাক ক্ৰিয়াপদ বোলে।**

ক্ৰিয়াপদ দুবিধ ঃ সমাপিকা আৰু অসমাপিকা ক্ৰিয়া।

যি ক্ৰিয়াই বাক্য সম্পূৰ্ণ কৰে, তাক সমাপিকা ক্ৰিয়া বোলে। যেনে—

(১) জীয়েক-জোঁৱায়েকে কাপোৰখন সযত্নে **ৰাখিলে**।

(২) এটা মন্ত্ৰ **নপঢ়াকৈ** কাপোৰখনত কোনোবাই হাত **দিলে** চকুৰ পচাৰতে সি চৰাইলৈ ৰূপান্তৰিত হ'ব।

ওপৰৰ বাক্যটোত ডাঙৰ হৰফেৰে লিখা **'নপঢ়াকৈ'** আৰু **'দিলে'** পদ দুটাই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পৰা নাই।

এনেদৰে, যি ক্ৰিয়াই বাক্যৰ অৰ্থ সম্পূৰ্ণ কৰিব নোৱাৰে, সেই ক্ৰিয়াক **অসমাপিকা** ক্ৰিয়া বোলে।

৬। **পাঠটো ভালদৰে পঢ়ি দুটাকৈ সমাপিকা আৰু অসমাপিকা ক্ৰিয়াযুক্ত বাক্য বাকচটোত ভৰোৱা।**

| সমাপিকা ক্ৰিয়া | অসমাপিকা ক্ৰিয়া |
|---|---|
| .................................... | .................................... |
| .................................... | .................................... |

৭। তলৰ বাক্যত থকা সমাপিকা আৰু অসমাপিকা ক্ৰিয়া বাছি উলিয়াই তলৰ বাকচত লিখা।

⇨ মই ঘৰলৈ যাম।

⇨ ৰাতি মই অকলে বাহিৰলৈ নাযাওঁ।

⇨ পুৱা শুই উঠি মই বকুল ফুল বুটলিম।

⇨ মা-দেউতাই সদায় খবৰ কাগজ পঢ়ে।


⇨ স্কুলৰ পৰা আহি মই কিছুপৰ টি ভি চাওঁ।

| সমাপিকা ক্ৰিয়া | অসমাপিকা ক্ৰিয়া |
|---|---|
| | |

## গ — জ্ঞান সম্প্ৰসাৰণ

জানো আহা—

⇨ পাঠত থকা **'আচিক'**, **'চিতৰী'** আৰু **'চেকে'** শব্দ তিনিটা গাৰো শব্দ। আচিকৰ অৰ্থ পাহাৰীয়া লোক, চিতৰীৰ অৰ্থ ম'ৰা চৰাই আৰু চেকে শব্দটোৰ অৰ্থ জাকৈ।





⇨ আমাৰ অসমত বিভিন্ন ধৰণৰ মাছ মৰা সঁজুলি আছে। এই সঁজুলিবোৰৰ বিভিন্ন নাম। যেনে— জাকৈ, বৰশী, চেপা, পল, জাল, খোকা আদি। তেনেদৰে মাছ থ'বলৈ ব্যৱহৃত সঁজুলি খালৈ। বেছিভাগ সঁজুলিৱেই বাঁহেৰে নিৰ্মিত। অসমত অঞ্চলভেদে এই সঁজুলিবোৰৰ নাম বেলেগ বেলেগ হয়।

৮। পুৰণি কালত তোমাৰ ককা-আইতাৰাহঁতে কাপোৰ-কান, বাচন-বৰ্তন পেৰাত ভৰাই থৈছিল। তোমালোকে কাপোৰ-কানি, বাচন-বৰ্তন ক'ত থোৱা, তাৰ এখন তালিকা প্ৰস্তুত কৰা।

৯। ছবিখনত দিয়া সঁজুলিকেইবিধৰ নাম লিখি সেইবোৰ আমি কি কি কামত ব্যৱহাৰ কৰোঁ লিখা।



### জানো আহা

ম'ৰা চৰাই ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় পখী।

পদুম ফুল ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ফুল।

ঢেকীয়াপতীয়া বাঘ আমাৰ ৰাষ্ট্ৰীয় জন্তু।

অশোকস্তম্ভ আমাৰ ৰাষ্ট্ৰীয় প্ৰতীক।

তিনি বৰণীয়া জাতীয় পতাকা আমাৰ ৰাষ্ট্ৰীয় পতাকা।





## ঘ — প্ৰকল্প

১০। বাতৰি কাকতৰ শিশু পৃষ্ঠা/শিশু আলোচনী/গল্প পুথি পঢ়ি তাৰ পৰা এটা গল্প স্পষ্ট আখৰেৰে কাগজত লিখিবা। লগতে গল্পটোৰ পৰা কি শিকিলা সেই বিষয়ে লিখি ডাঠ কাগজত লগাই শ্ৰেণী কক্ষত আৰি থোৱা। গল্পটোৰ লগত সংগতি থকা দুটামান চিত্ৰও লগাই দিবা।

১১। অসমৰ শিপিনীয়ে তাঁত-শালত কি কি কাপোৰ বয়, তাৰ এখন তালিকা প্ৰস্তুত কৰা।

১২। উত্তৰ-পূব ভাৰতৰ মাতৃপ্ৰধান জাতিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

☛ *১১ নং কাৰ্যটো কৰাওঁতে তাঁত-শালত সাধাৰণতে কি কি কাপোৰ বয়, সেই বিষয়ে তথ্য যোগান ধৰিব।*

☛ *প্ৰয়োজন অনুসৰি প্ৰকল্প প্ৰস্তুত কৰোঁতে সহায় কৰিব।*